**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-05-2025 **Time :** 1720 Hrs.

***Assamese Evening Bulletin***

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ চলিত বৰ্ষৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হয়। এইবাৰৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ছাত্ৰীয়ে পুনৰবাৰ ছাত্ৰৰ তুলনাত উন্নত প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হৈছে। এইবাৰৰ পৰীক্ষাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯১ শতাংশ। এয়া ছাত্ৰৰ উত্তীৰ্ণৰ হাৰৰ তুলনাত ৫ দশমিক ৯-৪ শতাংশ অধিক। আনহাতে তৃতীয় লিংগৰ ছাত্ৰ-ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ হৈছে ১০০ শতাংশ। এই বছৰ মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৮৮ দশমিক ৩-৯ শতাংশ, যিটো যোৱা বছৰৰ তুলনাত দশমিক ৪-১ শতাংশ বৃদ্ধি পাইছে। উল্লেখযোগ্য যে, চলিত বৰ্ষৰ কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত মুঠ ১৬ লাখ ৯২ হাজাৰ ৭৯৪ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল।

দশম শ্ৰেণীৰ পৰীক্ষাত মুঠ উত্তীৰ্ণৰ হাৰ হৈছে ৯৩ দশমিক ৬-৬ শতাংশ। দশম শ্ৰেণীৰ পৰীক্ষাতো ৯৫ শতাংশ উত্তীৰ্ণৰ হাৰেৰে ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ছাত্ৰৰ তুলনাত ২ দশমিক ৩-৭ শতাংশ অধিক হৈছে। এই বছৰৰ দশম শ্ৰেণীৰ পৰীক্ষাত মুঠ ২৩ লাখ ৭১ হাজাৰ ৯৩৯ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। ফলাফলসমূহ চিবিএছইৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল প্লেটফৰ্মত উপলব্ধ হৈছে।

০০০০০০

অন্ধবিশ্বাস আৰু কুসংস্কাৰৰ বিৰুদ্ধে সবল স্থিতি গ্ৰহণেৰে সমাজলৈ সেৱা আগবঢ়াই যোৱা মহীয়সী নাৰী বিৰুবালা ৰাভাৰ পুন্যতিথিত আজি ৰাজ্যবাসীয়ে তেওঁক শ্ৰদ্ধাৰে সুঁৱৰিছে। এই উপলক্ষে আজি পশ্চিম কাৰ্বি আংলং জিলাৰ হামৰেণৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত **অন্ধবিশ্বাস বিৰোধী দিৱস** পালন কৰা হয়। জিলাখনৰ প্ৰতিটো চৰকাৰী বিভাগৰ শীৰ্ষ বিষয়াসকলৰ উপস্থিতিত আয়োজিত বিশেষ সভাত সমাজ সংস্কাৰকগৰাকীৰ কৰ্মৰাজী সন্দৰ্ভত আলোকপাত কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এটা বাৰ্তাত ড০ বিৰুবালা ৰাভাৰ সাহসী জীৱন আৰু কৰ্মৰাজীয়ে সকলোকে প্ৰেৰণা যোগাই যাব আৰু অন্ধবিশ্বাসৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল'বলৈ উদগুণি যোগাব বুলি আশা প্ৰকাশ কৰে।

০০০০০০

অসম চৰকাৰৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ে ৰাজ্যৰ ২৩ খন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছে। সঞ্চালকালয়ে জাৰি কৰা নিৰ্দেশ অনুসৰি ডিব্ৰুগড়ত সৰ্বাধিক ১১ খন, হাইলাকান্দিত দুখন, বিশ্বনাথ, কাছাৰ, চৰাইদেউ, দৰং, গোলাঘাট, কাৰ্বি আংলং, লখিমপুৰ, শিৱসাগৰ, শোণিতপুৰ আৰু তিনিচুকীয়াত এখনকৈ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হৈছে। উল্লেখযোগ্য যে পূৰ্বতে চাহ বাগিচা অঞ্চলসমূহত দশম শ্ৰেণী পৰ্যন্তহে অধ্যয়নৰ ব্যৱস্থা আছিল যদিও ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে এই হাইস্কুলসমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰে। চলিত শিক্ষাবৰ্ষৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে বিদ্যালয়সমূহৰ কলা শাখাত নামভৰ্তি কৰিব পাৰিব বুলি শিক্ষা বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে।

ইপিনে, চলিত বৰ্ষৰ পৰাই ৰাজ্যৰ ১০ খন আদৰ্শ মহাবিদ্যালয়ত নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ জৰিয়তে কালি এই কথা প্ৰকাশ কৰে। এই অনুসৰি ২০২৫-২৬ শৈক্ষিক বৰ্ষত হাইলাকান্দি আদৰ্শ মহাবিদ্যালয়, ওদালগুৰি হৰিশিঙাৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়, চিৰাং, মাজুলী, শোণিতপুৰৰ বৰছলা, মঙলদৈ, গোলকগঞ্জ, ধুবুৰীৰ মাজৰ আলগা, লাহৰিঘাট আৰু চামগুৰিৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত পাঠদান আৰম্ভ হ'ব। শিক্ষাৰ্থীসকলে এই মহাবিদ্যালয়সমূহত পাঁচটা বিষয়ত অধ্যয়নৰ সুযোগ লাভ কৰিব। এই অনুসৰি হাইলাকান্দিত ইংৰাজী, বঙালী, হিন্দী, ভূগোল আৰু সমাজতত্ব বিষয়ত নামভৰ্তিৰ সুবিধা থাকিব। একেদৰে চিৰাঙত ইংৰাজী, অসমীয়া, বড়ো, গণ সংযোগ আৰু ভূগোল বিষয়ত পাঠ্যক্ৰম আৰম্ভ কৰা হ'ব। মাজুলীত ইংৰাজী, অসমীয়া, মনোবিজ্ঞান, গণসংযোগ আৰু ভূগোল বিষয় সন্নিবিষ্ট কৰা হৈছে। বাকী মহাবিদ্যালয়সমূহতো এনেধৰণৰ পাঁচটা বিষয়ত পাঠদানৰ সুবিধা থাকিব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত অসম আৰক্ষীয়ে এই পৰ্যন্ত ৫৬ জন লোকক গ্ৰেপ্তাৰ কৰিছে। কালি কাৰ্বি আংলং আৰক্ষীয়ে আজিমুদ্দিন আৰু ৰাকিব হুছেইন নামৰ লোক দুজনক গ্ৰেপ্তাৰ কৰে। ধুবুৰী আৰক্ষীয়ে হাছিনুৰ ৰহমান আৰু লালচান্দ আলী, লক্ষীমপুৰ আৰক্ষীয়ে আব্দুল আছিক আৰু ছমিৰ আলী নামৰ লোককেইজনক গ্ৰেপ্তাৰ কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰি অসম আৰক্ষীয়ে এই অভিযান পৰৱৰ্তী সময়তো অব্যাহত ৰাখিব বুলি উল্লেখ কৰে। তেওঁ লগতে জনসাধাৰণক এনে দেশ বিৰোধী মন্তব্য দৃষ্টি গোচৰ হোৱাৰ মাত্ৰেই প্ৰশাসনক অৱগত কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে দেশবিৰোধী মন্তব্য কৰাৰ অভিযোগত কাছাৰৰ পৰা সৰ্বাধিক ছজন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। দেশবিৰোধী মন্তব্য কৰা লোকৰ বিৰুদ্ধে কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নহ'ব মুখ্যমন্ত্ৰী ডঃ শৰ্মাই উল্লেখ কৰে।

০০০০০

**সমাপ্ত**